**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 20-MAY-2026 **Time :** 1800 HRS

***Assamese Evening Bulletin***

————————————————————

## HEADLINES

::::::::::::::::::

১। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত ৰাজ্যৰ অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য নিৰীক্ষণ ব্যৱস্থাৰ পৰ্যালোচনা। মূল্য নিয়ন্ত্ৰণৰ বাবে বিশেষ ব্যৱস্থাৰ ঘোষণা।

২। জুবিন ক্ষেত্ৰৰ মূল কাম পৰ্যায়ক্ৰমে কৰি যোৱা হ'ব বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

৩। কাইলৈৰ পৰা যোড়শ অসম বিধানসভাৰ প্ৰথমখন অধিৱেশন।

**আৰু**

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাই ইণ্ডিয়ানছ আৰু কলকাতা নাইট ৰাইডাৰ্ছ মুখামুখি।

০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি সাম্প্ৰতিক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যৰ অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য নিৰীক্ষণ ব্যৱস্থাৰ পৰ্যালোচনা কৰে। বৈঠকত বজাৰৰ সন্তুলন বৰ্তাই ৰাখি অস্বাভাৱিক মূল্য বৃদ্ধি ৰোধ কৰাৰ বাবে কেতবোৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই অনুসৰি জিলা আয়ুক্তৰ নেতৃত্বত ৩-৪ দিনৰ ভিতৰত জিলা নিৰীক্ষণ সমিতি গঠন কৰা হ'ব। সকলো দোকান আৰু পাইকাৰী বিপণীত খুচুৰা তথা পাইকাৰী মূল্য প্ৰদৰ্শন কৰাটো বাধ্যতামূলক হ'ব। কোনো দোকান-প্ৰতিষ্ঠানে অস্বাভাৱিকভাৱে মূল্য বৃদ্ধি কৰিলে এই প্ৰতিষ্ঠানসমূহৰ বাণিজ্যিক অনুজ্ঞাপত্ৰ বাতিলকে ধৰি অন্য কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। বৈঠকত লোৱা সিদ্ধান্ত অনুসৰি অস্বাভাৱিক মূল্য বৃদ্ধি ধৰা পেলোৱা আৰু এনে ঘটনা ৰোধ কৰাৰ বাবে ক্ষেত্ৰ পৰ্যায়ৰ নিৰীক্ষণ তীব্ৰতৰ কৰি তোলা হ'ব। একেদৰে জিলা আয়ুক্ত, বণিক সংঘ আৰু বাণিজ্য সংস্থাসকলৰ মাজত সাপ্তাহিক পৰ্যালোচনা ব্যৱস্থা কৰা হ'ব। ইয়াৰ উপৰি ৰন্ধন গেছৰ বিতৰণৰ ক্ষেত্ৰত দেখা দিয়া আঁসোৱাহ দূৰ কৰিবলৈ প্ৰধানমন্ত্ৰী উজ্জ্বলা যোজনাৰ হিতাধিকাৰীসকলৰ দ্ৰুত আধাৰ সংযোজনত দিহা কৰা হৈছে।

০০০০০০০

অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য বৃদ্ধিৰ ফলত কোনো দোকান প্ৰতিষ্ঠানে যাতে জনসাধাৰণক হাৰাশাস্তি কৰিব নোৱাৰে, সেয়া নিশ্চিত কৰাৰ বাবে জিলা প্ৰশাসনসমূহ তৎপৰ হৈ পৰিছে। যোৰহাট জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত আজি এই সন্দৰ্ভত এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়।বৈঠকত অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য নিৰীক্ষণ আৰু বজাৰৰ সুস্থিৰতা বজাই ৰখাৰ সন্দৰ্ভত বিতংভাৱে আলোচনা কৰা হয়। এই বৈঠকতে মূল্য বৃদ্ধিৰ পৰিস্থিতিৰ ওপৰত বজাই ৰাখিবলৈ জিলা পৰ্যায়ৰ কাৰ্যবাহিনী গঠন কৰা হয়। তদুপৰি সামগ্ৰীৰ বজাৰ

মূল্য নিয়ন্ত্ৰণৰ ক্ষেত্ৰত পাইকাৰী আৰু খুচুৰা ব্যৱসায়ীসকলৰ লগতে বাণিজ্যিক সন্থাসমূহে ল'বলগীয়া প্ৰয়োজনীয় আৰু কাৰ্যকৰী পদক্ষেপ সন্দৰ্ভত নিৰ্দেশ দিয়া হয়।

দৰং জিলাতো আজি জিলা আয়ুক্তৰ অধ্যক্ষতাত অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য নিয়ন্ত্ৰণ আৰু নিয়মীয়া নিৰীক্ষণৰ বাবে গঠন কৰা জিলা কাৰ্যবাহিনীৰ প্ৰথমখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়।

বৰপেটা জিলাত কোনো ব্যৱসায়ীয়ে যাতে নিজৰ ইচ্ছা অনুসৰি সামগ্ৰীৰ মূল্য বৃদ্ধি কৰি গ্ৰাহকক হাৰাশাস্তি কৰিব নোৱাৰে তাৰ বাবে জিলা প্ৰশাসনে নিৰীক্ষণ ব্যৱস্থা ত্বৰান্বিত কৰি তুলিছে। এই উদ্দেশ্যে আজি জিলা আয়ুক্ত কাৰ্যালয়ত অসামৰিক যোগান বিভাগৰ অতিৰিক্ত জিলা আয়ুক্তৰ লগতে যোগান বিভাগৰ প্ৰতিনিধি, জিলাখনৰ বিভিন্ন বজাৰৰ ব্যৱসায়ী সন্থা আৰু চেম্বাৰ অৱ কমাৰ্চৰ প্ৰতিনিধিসকলৰ উপস্থিতিত এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। বৈঠকত সামগ্ৰীৰ মূল্যৰ তালিকা সকলোৱে দেখাকৈ আঁৰি থোৱাৰ ক্ষেত্ৰত জিলা প্ৰশাসন আৰু যোগান বিভাগে কঠোৰ দৃষ্টি ৰাখিব বুলি সিদ্ধান্ত গ্ৰহণ কৰা হয়। জিলাখনত যোগান বিভাগৰ দলে বজাৰসমূহত নিয়মীয়া নিৰীক্ষণ অব্যাহত ৰাখিছে।

ৰাজ্যজুৰি পেট্ৰ'ল, ডিজেল, ৰন্ধনগেছ আদি অত্যাৱশ্যকীয় সামগ্ৰীৰ দ্ৰুতগতিত হৈ থকা মূল্য বৃদ্ধিৰ বিৰুদ্ধে আজি অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, বজালী জিলা সমিতিয়ে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মালৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে।

০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি মৰিগাঁও জিলাৰ আঁহতগুৰিৰ সংৰক্ষিত চৰকাৰী ভূমি পৰিদৰ্শন কৰাৰ লগতে অঞ্চলটোত ৰূপায়ণ হৈ থকা প্ৰকল্পসমূহৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। ড০ শৰ্মাই জাগীৰোড সমষ্টিৰ অন্তৰ্গত বৰগুৰিত বিভিন্ন চৰকাৰী প্ৰতিষ্ঠান স্থাপনৰ বাবে সংৰক্ষিত ৩৩১ বিঘা চৰকাৰী ভূমি পৰিদৰ্শন কৰে। তেওঁ লগতে চিপিৰি-দুৰুলাডুবি ৰাজহ গাঁৱৰ এহেজাৰ ৬৭ বিঘাৰো অধিক ভূমিত প্ৰস্তাৱিত মেগা ঔদ্যোগিক পাৰ্কৰ স্থান পৰিদৰ্শন কৰে।

মুখ্যমন্ত্ৰী শৰ্মাই ইয়াৰ পাছত মৰিগাঁও জিলাৰ জাগীৰোডৰ ঐতিহাসিক গোভা দেওৰজাৰ দেওশাল মন্দিৰত পূজা-অৰ্চনা কৰি ৰাজ্যবাসীৰ মংগলৰ হকে প্ৰাৰ্থনা জনায়। ড০ শৰ্মাই আজি জাগীৰোডৰ টাটা ছেমিকণ্ডাক্টৰ প্ৰকল্প পৰিদৰ্শন কৰি নিৰ্মাণকাৰ্যৰ অগ্ৰগতিৰ বুজ লয়। তেওঁ লগতে প্ৰকল্পটোৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হৈ ইয়াৰ অগ্ৰগতিৰ খতিয়ান লয়। মুখ্যমন্ত্ৰীগৰাকীয়ে ইয়াৰ পূৰ্বে সোণাপুৰৰ কমাৰকুছিত থকা জুবিন ক্ষেত্ৰ পৰিদৰ্শন কৰি শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ড০ শৰ্মাই সাংবাদিকৰ আগত কয়, যে জুবিন ক্ষেত্ৰত সম্প্ৰতি নিৰ্মাণ হৈ থকা ৩ কোটি টকাৰ সীমাৰ দেৱালকে ধৰি নিৰ্মাণকাৰ্যৰ প্ৰাৰম্ভিক পৰ্যায় আৰম্ভ হৈছে আৰু ভূমিস্খলনৰ পৰা ক্ষেত্ৰখন সুৰক্ষাৰ বাবেও ব্যৱস্থা লোৱা হৈছে। সীমাৰ দেৱালৰ কাম সম্পূৰ্ণ হোৱাৰ পাছতে লোকনিৰ্মাণ বিভাগৰ দ্বাৰা নিৰ্মাণ হ'বলগীয়া সমাধিক্ষেত্ৰৰ মূল কামসমূহো পৰ্যায়ক্ৰমে কৰি যোৱা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

**বাইট (চি এম-২)**

০০০০০০

ষোড়শ অসম বিধানসভাৰ প্ৰথমখন অধিৱেশন কাইলৈৰ পৰা দিছপুৰত অনুষ্ঠিত হ’ব। অস্থায়ী অধ্যক্ষ চন্দ্ৰমোহন পাটোৱাৰীয়ে কাইলৈ নৱ-নিৰ্বাচিত বিধায়কসকলক শপতবাক্য পাঠ কৰোৱাব। বিধায়কসকলৰ জ্যেষ্ঠতাৰ ভিত্তিত শপত গ্ৰহণ প্ৰক্ৰিয়া সম্পন্ন কৰা হ’ব। ইয়াৰ পাছতে অধ্যক্ষৰ নিৰ্বাচন অনুষ্ঠিত হ’ব। শাসনাধিষ্ঠিত বিজেপিৰ বিধায়ক ৰণজিত কুমাৰ দাসে আজি অধ্যক্ষ পদৰ বাবে মনোনয়ন পত্ৰ দাখিল কৰে। চাৰিদিনীয়া এই অধিৱেশনৰ ২৬ মে’ত অন্ত পৰিব।

০০০০০০

চৰাইদেউ জিলাৰ সোণাৰী মহাবিদ্যালয়ৰ খেলপথাৰত আজি সেনাবাহিনীৰ অগ্নিবীৰ নিযুক্তি প্ৰক্ৰিয়াৰ দ্বিতীয়টো প্ৰস্তুতি শিবিৰ অনুষ্ঠিত হয়। জিলা প্ৰশাসনৰ তত্বাৱধানত আয়োজিত এই শিবিৰত জিলাখনৰ বিভিন্ন প্ৰান্তৰ ১৮০ গৰাকী যুৱক-যুৱতীয়ে অংশগ্ৰহণ কৰে। অগ্নিবীৰ নিযুক্তি প্ৰক্ৰিয়াৰ বাবে প্ৰাৰ্থীসকলক শাৰীৰিক আৰু মানসিকভাৱে প্ৰস্তুত কৰি তোলাৰ লক্ষ্যৰে সেনা বিষয়াসকলৰ তত্বাৱধানত যুৱক-যুৱতীসকলৰ উচ্চতা নিৰূপণ, দৌৰ প্ৰতিযোগিতা আদি অনুষ্ঠিত হয়। অনুষ্ঠানত উপস্থিত থাকি চৰাইদেউ জিলা আয়ুক্ত ডা০ নেহা যাদৱে প্ৰাৰ্থীসকলক একাগ্ৰতা, অনুশাসন আৰু দৃঢ়তাৰে নিজৰ লক্ষ্যৰ দিশে আগবাঢ়িবলৈ উৎসাহিত কৰে। জিলাখনত যোৱা ১১ মে’ত অগ্নিবীৰ নিযুক্তি প্ৰক্ৰিয়াৰ বাবে প্ৰথমটো শিবিৰ অনুষ্ঠিত হৈছিল। অহা ছমাহৰ ভিতৰত জিলাখনৰ বিভিন্ন প্ৰান্তত ধাৰাবাহিকভাৱে এনে শিবিৰ অনুষ্ঠিত কৰি যুৱক-যুৱতীসকলক সেনা বাহিনীত নিযুক্তিৰ বাবে সাজু কৰি তোলাৰ লক্ষ্য লোৱা হৈছে বুলি জিলা আয়ুক্তগৰাকীয়ে উল্লেখ কৰে।

**বাইট (জিলা আয়ুক্ত)**

০০০০০০

২০২৭ বৰ্ষৰ বাবে সেনাবাহিনীত অগ্নিবীৰ আৰু জুনিয়ৰ কমিচনড বিষয়া নিযুক্তিৰ বাবে হ’বলগীয়া চি ই ই অৰ্থাৎ সাধাৰণ প্ৰৱেশ পৰীক্ষা অহা ১ জুনৰ পৰা ১২ জুনলৈ অনুষ্ঠিত হ’ব। প্ৰাৰ্থীসকলে পৰীক্ষাৰ বাবে প্ৰৱেশ পত্ৰ সেনাবাহিনীৰ অফিচিয়েল ৱেব চাইট WWW.JOININDIAN ARMY.NIC.IN ৰ পৰা ডাউন লোড কৰিব পাৰিব।

০০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজিকলকাতাৰ ইডেন গাৰ্ডেন ছত হ'বলগীয়া এখন খেলত মুম্বাই ইণ্ডিয়ানছ কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ’ব।

প্ৰতিযোগিতাত যোৱা নিশা জয়পুৰত অনুষ্ঠিত এখন খেলত ৰাজস্থান ৰয়েলছে লক্ষ্ণৌ ছুপাৰ জায়েন্টছক ৭ উইকেটত পৰাস্ত কৰে।

০০০০০০

সমাপ্ত